জাতি, মাটি আৰু দেশৰ সেৱাত
দৈনন্দিন বাৰ্তা
৪ অক্টোবৰ, ২০২৫ ■ শনিবাৰ ■ ১৭ আহিন, ১৯৪৭ শক

# বৰক্ষেত্ৰীত আন্তৰ্জাতিক জ্যেষ্ঠ নাগৰিক দিৱস পালন



সভাৰ উদ্দেশ্য ব্যাখ্যা কৰা এই সভাত বৃহত্তৰ অঞ্চলটোৰ প্ৰায় ২৫-৩০গৰাকী জ্যেষ্ঠ নাগৰিক উপস্থিত থাকে।

**দৈনন্দিন বাৰ্তাৰ সেৱা, বৰক্ষেত্ৰী, ৩ অক্টোবৰ ঃ** অসমৰ বিভিন্ন প্ৰান্তৰ দৰে বৰক্ষেত্ৰীতো ১ অক্টোবৰত আন্তজাৰ্তিক জ্যেষ্ঠ নাগৰিক দিৱস পালন কৰা হয়। বৰক্ষেত্ৰী আঞ্চলিক জ্যেষ্ঠ নাগৰিক সন্মিলনেও এই দিৱসটি বৰক্ষেত্ৰীৰ চান্দা গাওঁত উদযাপন কৰে। এই উপলক্ষে পুৱা ৯-৩০বজাত সন্মিলনৰ পতাকা উত্তোলন কৰে কাৰ্যকৰী সভাপতি দীনেশ কলিতাই। অসমৰ জনতাৰ শিল্পী জুবিন গাৰ্গৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জনায় আঞ্চলিকৰ জ্যেষ্ঠতম সদস্য হাতেম আলীয়ে ।ইয়াৰ পিছতে দীনেশ কলিতাৰ সভাপতিত্বত অনুষ্ঠিতব্য সাধাৰণ সভাত বক্তব্য ৰাখে প্ৰগতিশীল লেখক নগেন দাস, অৱসৰপ্ৰাপ্ত বেঙ্ক কৰ্মচাৰী বসন্ত মেধি, অৱসৰপ্ৰাপ্ত শিক্ষক বশিষ্ঠ ডেকা আৰু ৰুস্তম আলীয়ে। সন্মিলনৰ বৰক্ষেত্ৰী আঞ্চলিক কমিটিৰ সম্পাদক ভূৱনেশ্বৰ নাথে

# বড়োলেণ্ড প্ৰাদেশীয় পৰিষদৰ ৫ম কাৰ্যনিৰ্বাহকৰ শপতগ্ৰহণ অনুষ্ঠানৰ প্ৰস্তুতি তুংগত

**দৈনন্দিন বাৰ্তাৰ সেৱা, ছালাকাটি, ৩ অক্টোবৰ ঃ** কোকৰাঝাৰত বড়োলেণ্ড প্ৰাদেশীয় পৰিষদৰ ৫ম কাৰ্যনিৰ্বাহকৰ শপতগ্ৰহণ অনুষ্ঠান উপলক্ষে প্ৰস্তুতি পূৰ্ণোদ্যমে চলি আছে। বড়োলেণ্ডৰ উন্নয়ন আৰু সমৃদ্ধিৰ এক নতুন প্ৰভাতক চিহ্নিত কৰি হাগ্ৰামা মহিলাৰীয়ে বিটিচিৰ মুখ্য কাৰ্যবাহী সদস্য হিচাপে ৫ম কাৰ্যনিৰ্বাহকৰ সদস্যসকলৰ সৈতে অহা ৫ অক্টোবৰ, ২০২৫ তাৰিখে শপতগ্ৰহণ কৰিব। এই শপতগ্ৰহণ অনুষ্ঠানত অসমৰ ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্য আৰু অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা উপস্থিত থাকিব। গৌৰৱোজ্জ্বল এই অনুষ্ঠানটো কোকৰাঝাৰৰ বড়োফা নগৰস্থিত বিটিচি সচিবালয় খেলপথাৰত অনুষ্ঠিত হ'ব আৰু বিটিআৰৰ অন্যান্য জিলাসমূহতো লাইভষ্ট্ৰীম কৰা হ'ব। অসম চৰকাৰৰ মুখ্য সচিব ড° ৰবি কোটাই কাৰ্যভাৰগ্ৰহণ, শপত আৰু গোপনীয়তাৰ পাঠেৰে অনুষ্ঠানটি পৰিচালনা কৰিব। লগতে বিটিচিৰ প্ৰধান সচিব আকাশ দীপে ত্ৰিদীপ দৈমাৰীক বিটিচি বিধানসভাৰ প্ৰ'টেম স্পীকাৰ হিচাপে কাৰ্যভাৰ গ্ৰহণৰ শপতবাক্য পাঠ কৰাব। আনহাতে বিটিচিৰ প্ৰধান সচিব আকাশ দীপৰ জাতীয় পতাকা উত্তোলনেৰে দিনটোৰ কাৰ্যসূচী আৰম্ভ হ'ব। তাৰ পিছত দোতমাৰ থুলুংগাপুৰীত থকা বড়োফা ইউ এন ব্ৰহ্মৰ সমাধিস্থল, দেৱৰগাঁৱত থকা বড়োলেণ্ড ছহিদ সমাধিস্থল আৰু বিটিচি বিধানসভা ভৱনৰ সন্মুখত থকা বড়োফা ইউ এন ব্ৰহ্মৰ প্ৰতিমূৰ্তিত মাল্যাৰ্পণেৰে গভীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা হ'ব। উল্লেখ্য যে নতুনকৈ নিৰ্বাচিত কাৰ্যনিৰ্বাহকৰ সদস্যসকলে বিটিআৰৰ গণতান্ত্ৰিক যাত্ৰাৰ এই শুভ মুহূৰ্তত নিজৰ দায়িত্ব গ্ৰহণ কৰি সমগ্ৰ বিটিআৰক উন্নয়ন, শান্তি আৰু প্ৰগতিৰ দিশত আগবঢ়াই নিবলৈ সক্ষম হ'ব।

# নগাঁৱৰ মৰ্গত অচিনাকি লোকৰ মৃতদেহ

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ৩ অক্টোবৰ ঃ** নগাঁও মেডিকেল কলেজ হচপিটালৰ মৰ্গত আজি তিনিদিন ধৰি এজন লোকৰ মৃতদেহ পৰি আছে। নগাঁও ইটাচালী আৰক্ষী চকীৰ আৰক্ষীৰ সুত্ৰ অনুসৰি ৩০ ছেপ্টেম্বৰৰ নিশা প্ৰায় ১০ বজাত নগাঁও চহৰৰ মৰিকলং ৰেল ক্ৰছিঙৰ ওচৰত পৰি থকা এজন লোকক স্থানীয় ৰাইজৰ তথ্যৰ ভিত্তিত ইটাচালী আৰক্ষীয়ে উদ্ধাৰ কৰি চিকিৎসালয়লৈ নিয়ে যদিও চিকিৎসকে মৃত বুলি ঘোষণা কৰে। পিছত মৰণোত্তৰ পৰীক্ষাৰ পিছত মৃতদেহটো নগাঁও চিকিৎসা মহাবিদ্যালয় হচপিটালৰ মৰ্গত ৰখা হয়। বৰ্তমানেও মৃতদেহটোৰ পৰিচয় উদ্ধাৰ হোৱা নাই।প্ৰায় ৪০ বছৰীয়া লোকজন পাঞ্জাৱী সম্প্ৰদায়ৰ বুলি সন্দেহ কৰা হৈছে। এই সন্দৰ্ভত ইটাচালী আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়াৰ ৬০২৬৯০০৯৩৪ নম্বৰত যোগাযোগ কৰিবলৈ আৰক্ষীয়ে অনুৰোধ জনাইছে।

# ডিব্ৰুগড়ৰ লেজাইত ১ নৱেম্বৰত অসম সাহিত্য সভাৰ 'কুঁহি'ৰ কেন্দ্ৰীয় অনুষ্ঠান

**দৈনন্দিন বাৰ্তাৰ সেৱা, ডিব্ৰুগড়, ৩ অক্টোবৰ ঃ** শিশুৰ সৰ্বাঙ্গীন বিকাশৰ বাবে শৈশৱতেই সামাজিক, সাংস্কৃতিক, বৌদ্ধিক ক্ষেত্ৰৰ সৈতে পৰিচয় কৰি দিবলৈ অসম সাহিত্য সভাই শিশু সকলক লৈ গঢ়ি তোলা অনুষ্ঠানটিয়ে হৈছে "কুঁহি"। জ্যেষ্ঠসকলে এই শিশুসকলক আগবঢ়াই নিয়াৰ ক্ষেত্ৰত ক্ৰমান্বয়ে অসম সাহিত্য সভাৰ প্ৰতিখন শাখাতে এখনি উপ-সমিতিয়ে অসমৰ বিভিন্ন ঠাইত শিশুৰ বিকাশৰ বাবে সক্ৰিয়তাৰে কাম কৰি আহিছে। এই উদ্দেশ্যে "কুঁহি"ৰ কেন্দ্ৰীয় অনুষ্ঠানটি এইবাৰ ডিব্ৰুগড় জিলা সাহিত্য সভাৰ সহযোগত লেজাই শাখা সাহিত্য সভা, কলাখোৱা শাখা সাহিত্য সভা আৰু কোটোহা শাখা সাহিত্য সভাৰ আতিথ্যত ১ নৱেম্বৰ শনিবাৰে স্থানীয় লেজাই ৰাজহুৱা প্ৰেক্ষাগৃহত দিনজোৰা বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত হব। সেই উপলেক্ষে লেজাই সাহিত্য সভাৰ সভাপতি শিক্ষা বড়া গগৈৰ সভাপতিত্ব এখনি ৰাজহুৱা সভা অনুষ্ঠিত হয়। অৱসৰপ্ৰাপ্ত শিক্ষক কৃষ্ণ কান্ত বৰাক সভাপতি, শিখা বড়া গগৈক কাৰ্যকৰি সভাপতি, গোপীনাথ দিহিঙীয়া,লোহিত বড়া, ৰাম দত্ত আৰু জয়ৰাম দিহিঙীয়াক উপ-সভাপতি, ভদ্ৰেশ্বৰ গগৈ আৰু অৰূপ শইকীয়াক যুটীয়া সম্পাদক লগতে বুদ্ধেশ্বৰ হাজৰিকা আৰু মনোজ সন্দিকৈক সহ সম্পাদক হিচাপে লৈ এখনি শক্তিশালী আদৰণি সমিতিৰ গঠন কৰা হয়। সভাত উদ্যোক্তাসকলে ভাষা-সাহিত্য- সংস্কৃতিপ্ৰেমী ৰাইজৰ উপস্থিতি কামনা কৰিছে।

# বৰঝাৰ বিমানবন্দৰৰ পৰা উৰা মৰা বিমান অৱতৰণ কৰিব নোৱাৰিলে মিজোৰামত

**দৈনন্দিন বাৰ্তাৰ সেৱা,আজাৰা, ৩ অক্টোবৰ ঃ** মিজোৰামৰ একমাত্ৰ বিমানবন্দৰ হিচাপে পৰিচিত আইজলৰ লেংপুই বিমানবন্দৰত আজি দিনৰ ভাগত বৰঝাৰ বিমানবন্দৰৰ পৰা উৰা মৰা এখন বিমান তাৰ ৰাণৱে বেয়া হৈ থকা বাবে অৱতৰণ কৰিব নোৱাৰি পুনৰ বৰঝাৰলৈ উভতি আহিবলগীয়া হয়। জানিব পৰা মতে আইজলৰ লেংপুই বিমানবন্দৰ অভিমুখে আজি দিনৰ ১০ বজাত বৰঝাৰস্থিত লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তঃৰাষ্ট্ৰীয় বিমানবন্দৰৰ পৰা ৭১ জন যাত্ৰী লৈ উৰা মাৰিছিল ইণ্ডিগ' সেৱাৰ এখন বিমান। তাত অৱতৰণৰ প্ৰাক্‌ক্ষণত বিমানৰ পাইলটজনে দেখা পায় যে বিমানবন্দৰৰ ৰাণৱেটো কিছু পৰিমাণে বিধ্বস্ত হৈ আছে। গতিকে বিমানৰ পাইলটে যাত্ৰীৰ সুৰক্ষাৰ দিশটোৰ প্ৰতি লক্ষ্য ৰাখি তাত বিমানখন অৱতৰণ কৰিব পৰা নাযাব বুলি লেংপুই বিমানবন্দৰৰ লগতে বৰঝাৰ বিমানবন্দৰৰ নিয়ন্ত্ৰণ কক্ষকো অৱগত কৰে। পাছত বিমানখন পুনৰ বৰঝাৰলৈ উভতি আহে। জানিব পৰা মতে আজি দিল্লী আৰু কলকাতাৰ পৰা লেংপুই বিমানবন্দৰলৈ আহিলগীয়া বিমান দুখনো তাত অৱতৰণ কৰিব নোৱাৰি পুনৰ গন্তব্য, স্থানলৈ উভতি যায়। সম্প্ৰতি বিমানবন্দৰটোৰ ৰাণৱেৰ মেৰামতি কাৰ্য যুদ্ধকালীন তৎপৰতাৰে চলি আছে।

# মৈৰাধ্বজ গাঁও পঞ্চায়তত গান্ধী জয়ন্তী উপলক্ষে বিশেষ গাঁও সভা সম্পন্ন



**দৈনন্দিন বাৰ্তাৰ সেৱা, ধিং, ৩ অক্টোবৰ ঃ** নগাঁও জিলাৰ নিজ ধিং উন্নয়ন খণ্ডৰ অন্তৰ্গত ৪৬ নং মৈৰাধ্বজ গাওঁ পঞ্চায়তৰ প্ৰেক্ষাগৃহত সহস্ৰাধিক জনসাধাৰণৰ উপস্থিতিত গান্ধী জয়ন্তী উপলক্ষে বিশেষ গাঁও সভা খন বৃহস্পতিবাৰে দিনৰ ২ বজাত সুকলমে সম্পন্ন হয়। জাতিৰ পিতা মহাত্মা গান্ধীৰ জন্মদিন উপলক্ষে মৈৰাধ্বজ গাঁও পঞ্চায়তৰ স্থায়ী সভাগৃহত এক বিশেষ গাঁও সভাখন অনুষ্ঠিত হয়। এই গাওঁসভা খনত সভাপতিত্ব কৰে পঞ্চায়তখনৰ সভাপতি জুলফিকাৰ আলীয়ে। সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে পঞ্চায়তটোৰ সচিব হবিবুৰ ৰহমানে। সভাত উপস্থিত থাকে পঞ্চায়ত খনৰ সদস্য-সদস্যা সকল,কৰ্মচাৰী সকল জীৱিকা সখী, কৃষি সখী, পহু সখী আৰু সচেতন ৰাইজ। এই বিশেষ গাঁও সভা খনৰ আলোচনাৰ মুখ্য বিষয়সমূহ আছিল মহাত্মা গান্ধী ৰাষ্ট্ৰীয় গ্ৰামীণ জীৱিকা গেৰাণ্টীৰ (MGNREGA) আঁচনিৰ পৰিকল্পনা, আগন্তুক উন্নয়নমূলক কাৰ্যসূচীত ৰাইজৰ অংশগ্ৰহণৰ গুৰুত্ব আৰু পঞ্চায়তৰ উন্নতিৰ পদক্ষেপ। সভাৰ অন্তত উপস্থিত ৰাইজে গাঁও পঞ্চায়তৰ উন্নয়নৰ বাবে একত্ৰিত হৈ সক্ৰিয়ভাৰে ভূমিকা গ্ৰহণৰ প্ৰতিশ্ৰুতি ব্যক্ত কৰে।

# সুৰজিৎ একাডেমীৰ সৌজন্যত ৰাষ্ট্ৰীয় পৰ্যায়ত এখন 'প্ৰয়াত ৰমেশ চন্দ্ৰ শৰ্মা সোঁৱৰণী চিত্ৰাংকন প্ৰতিযোগিতা'

**দৈনন্দিন বাৰ্তাৰ সেৱা, ৩ অক্টোবৰ ঃ** গুৱাহাটী বিশ্ববিদ্যালয় আদৰ্শ উচ্চ মাধ্যমিক বিদ্যালয়ৰ কৃতি শিক্ষক তথা অৱসৰপ্ৰাপ্ত উপ-প্ৰধান শিক্ষক শ্ৰদ্ধাৰ প্ৰয়াত ৰমেশ চন্দ্ৰ শৰ্মাৰ ২৩ অক্টোবৰ ৯০তম জন্মবাৰ্ষিকী। কৃতী শিক্ষকগৰাকীৰ জন্মবাৰ্ষিকী উপলক্ষে অসমৰ সাংস্কৃতিক প্ৰশিক্ষণ কেন্দ্ৰ সুৰজিৎ একাডেমীৰ সৌজন্যত ৰাষ্ট্ৰীয় পৰ্য্যায়ত এখনি "প্ৰয়াত ৰমেশ চন্দ্ৰ শৰ্মা সোঁৱৰণী চিত্ৰাংকণ প্ৰতিযোগিতা" অনুষ্ঠিত কৰা হৈছে। প্ৰতিযোগিতা দুটা শাখাত বিভক্ত। "ক" শাখা প্ৰথম শ্ৰেণীৰ পৰা চতুৰ্থ শ্ৰেণীলৈ আৰু "খ" শাখা পঞ্চম শ্ৰেণীৰ পৰা অষ্টম শ্ৰেণীলৈ। "ক" শাখাৰ বিষয় "গ্ৰাম্য প্ৰাকৃতিক দৃশ্য" (Rural Landscape) আৰু "খ" শাখাৰ বিষয় "চিত্ৰফলকত সুৰৰ মাধুৰী : জুবিন গাৰ্গলৈ শ্ৰদ্ধাঞ্জলি" (Melody on Canvas : A tribute to Zubeen Garg) । প্ৰতিযোগীসকলে ওপৰোক্ত বিষয় বস্তু অংকন কৰি অহা ২০ অক্টোবৰৰ ভিতৰত সুৰজিৎ একাডেমী, অসম অভিযান্ত্ৰিক মহাবিদ্যালয় চৌহদ, জালুকবাৰী, গুৱাহাটী-১৪ ঠিকনাত নাইবা ৱাটছাপ নম্বৰ ৯৪৩৫০৪২৩৪৮ বা ইমেইল simbin2011@ gmail.comত পঠিয়াব লাগিব। প্ৰতিযোগিতাৰ বাবে কোনো ভৰ্তি মাছুল নাই । অহা ২৩ অক্টোবৰ তাৰিখে প্ৰতিযোগিতাৰ ফলাফলসমূহ ঘোষণা কৰা হ'ব।

# আজি অসম সাহিত্য সভাৰ উদ্যোগত প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ ৰাজহুৱা আদ্যশ্ৰাদ্ধ আৰু স্মৃতিচাৰণ অনুষ্ঠান

**দৈনন্দিন বাৰ্তাৰ সেৱা, ৩ অক্টোবৰ ঃ** আজি অসম সাহিত্য সভাৰ উদ্যোগত লোক পৰিৱেশ্য কলা সংৰক্ষণ আৰু সংবৰ্ধন উপসমিতিৰ সহযোগত গুৱাহাটীৰ আমবাৰীস্থিত ভগৱতীপ্ৰসাদ বৰুৱা ভৱনত অসমীয়াৰ হিয়াৰ আমঠু, গীতিকাৰ, সুৰকাৰ, সংগীত পৰিচালক, চলচ্চিত্ৰ পৰিচালক, অভিনেতা জুবিন গাৰ্গৰ ৰাজহুৱা আদ্যশ্ৰাদ্ধ আৰু স্মৃতিচাৰণ অনুষ্ঠানৰ আয়োজন কৰিছে। অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক দেৱজিৎ বৰাই এক সংবাদ বিজ্ঞপ্তিৰ জৰিয়তে জানিবলৈ দিয়া অনুসৰি দিনৰ ১০ বজাৰ পৰা অনুষ্ঠিত হ'বলগীয়া ৰাজহুৱা আদ্যশ্ৰাদ্ধ আৰু স্মৃতিচাৰণ অনুষ্ঠানটিৰ কাৰ্যসূচীসমূহ ক্ৰমে দিনৰ ১০ বজাত নাম প্ৰসংগ, ১২ বজাত বিভিন্ন দল-সংগঠনৰ দ্বাৰা শ্ৰদ্ধাঞ্জলি, বিয়লি ১২-৩০ বজাত ভিন্ন জাতি-নৃগোষ্ঠীৰ অংশগ্ৰহণেৰে সৰ্বধৰ্ম প্ৰাৰ্থনা সভা আৰু বিয়লি ১ বজাত মূল স্মৃতিচাৰণ অনুষ্ঠান। অসম সাহিত্য সভাৰ সভাপতি ড° বসন্তকুমাৰ গোস্বামী, জুবিন গাৰ্গৰ সহধৰ্মিণী গৰিমা শইকীয়া গাৰ্গ, অসম সাহিত্য সভাৰ উপসভাপতি পদুম ৰাজখোৱা, সদৌ অসম ছাত্ৰ সন্থাৰ মুখ্য উপদেষ্টা ড° সমুজ্জ্বল কুমাৰ ভট্টাচাৰ্য, সদৌ অসম ছাত্ৰ সন্থাৰ সভাপতি উৎপল শৰ্মা, অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ সভাপতি পলাশ চাংমাই, বড়ো থুনলাই আফাদ (বড়ো সাহিত্য সভা)-ৰ সভাপতি ড° সুৰট নাৰ্জাৰী, বাংলা সাহিত্য সভা, অসমৰ সভাপতি খগেন দাস, দেউৰী চু চেঁৰবা চেংচা (দেউৰী সাহিত্য সভা)-ৰ সভাপতি ড° ষড়ানন দেউৰী, কাৰবি লামেট আমেই সভাপতি কামচিং হান্সে, ডিমাছা সাহিত্য সভা সভাপতি ৰমেশ থাওচেন, নিখিল বিষ্ণুপ্ৰিয়া মণিপুৰী সাহিত্য পৰিষদ, অসমৰ সভাপতি ড° দিলস লক্ষীন্দ্ৰ কুমাৰ সিংহ, মিচিং আগম কেবাং (মিচিং সাহিত্য সভা)-ৰ সভাপতি হৰিনাৰায়ণ পেগু, শৰণীয়া কছাৰী সাহিত্য সভা, অসমৰ সভাপতি সোণবৰ বৰুৱা, ৰাভা সাহিত্য সভাৰ সভাপতি অমৰ সিং কোচ, গাৰো সাহিত্য সভাৰ সভাপতি বিচিত্ৰ চাংমা, তিৱা মাথনলাই তথা (তিৱা সাহিত্য সভা)-ৰ সভাপতি হৰসিং খলাৰ, সদৌ অসম চাংমা উন্নয়ন সমিতিৰ সভাপতি আশুতোষ চাকমা, মাৰ লিটেৰেৰী ছচাইটিৰ সভাপতি ভি এল টি বাপুই, কুকি এপেক্স বডী, অসমৰ সভাপতি হেনকাম হাওলাই, জেমি পৰিষদৰ সভাপতি নামকে জেমি, সোণোৱাল কছাৰী সাহিত্য সভা, অসমৰ সভাপতি মোহন সোণোৱাল, মৰাণ সাহিত্য সভাৰ সভাপতি ৰবীন মৰাণ, পূৰ্বাঞ্চল টাই সাহিত্য সভাৰ সভাপতি অতুল ফুকন, অসম নেপালী সাহিত্য সভাৰ সভাপতি, ড° চিন্তামণি শৰ্মা, মদাহি সাহিত্য পৰিষদ, অসমৰ সভাপতি সৰ্বেশ্বৰ মদাহি, অসম চাহ জনগোষ্ঠী সাহিত্য সভাৰ সভাপতি সঞ্জয় কুমাৰ তাঁতী, কোচ ৰাজবংশী সাহিত্য সভা, অসমৰ সভাপতি ড° দ্বিজেন্দ্ৰনাথ ভকত, মটক সাহিত্য সন্মিলন সভাপতি তৰুণ কুমাৰ গগৈৰ লগতে বহুকেইজন নেতৃস্থানীয় ব্যক্তিয়ে এই স্মৃতিচাৰণ অনুষ্ঠানত অংশ গ্ৰহণ কৰিব। বিয়লি ৩ বজাত গায়ন-বায়ন পৰিৱেশন কৰা হ'ব। সংবাদ বিজ্ঞপ্তিত প্ৰধান সম্পাদকগৰাকীয়ে সকলো জুবিন অনুৰাগীৰ লগতে অসমবাসী ৰাইজ উপস্থিত থাকি প্ৰাণৰ শিল্পীগৰাকীক শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰি অনুষ্ঠানটো সফল কৰি তুলিবলৈ নিমন্ত্ৰণ জনাই আৰু লগতে উল্লেখ কৰে যে জুবিন গাৰ্গৰ ৰাজহুৱা আদ্যশ্ৰাদ্ধৰ শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত অংশগ্ৰহণ কৰিব বিচৰা দল-সংগঠনসমূহে আগতীয়াকৈ ৯৪০১২-০০০০৫ ফোন নম্বৰত যোগাযোগ কৰিব পাৰিব।

**No. 12/114/2025 (E. 269221)**
**ভাৰত চৰকাৰ**
**পৰিৱেশ, বন আৰু জলবায়ু পৰিৱৰ্তন মন্ত্ৰালয়**
**এইচএছএম বিভাগ**
****

বিষয় ঃ পৰিৱেশ, বন আৰু জলবায়ু পৰিৱৰ্তন মন্ত্ৰালয়ৰ (MoEF&CC) বিপজ্জনক পদাৰ্থ ব্যৱস্থাপনা বিভাগত ঠিকাভিত্তিকভাৱে চাৰিজন কনচালটেণ্ট নিযুক্তিৰ বাবে বিজ্ঞাপন।

ভাৰত চৰকাৰ, নতুন দিল্লীৰ পৰিৱেশ, বন আৰু জলবায়ু পৰিৱৰ্তন মন্ত্ৰালয়ৰ বিপজ্জনক পদাৰ্থ ব্যৱস্থাপনা (HSM) বিভাগত বৈজ্ঞানিক কনচালটেণ্ট শিতানত ০৪টা পদৰ বাবে আবেদনৰ আহ্বান জনোৱা হৈছে, যথাঃ ইয়ং প্ৰফেচনেলৰ ০১টা পদ, বৈজ্ঞানিক কনচালটেণ্ট গ্ৰেড-Iৰ ০২ টা পদ আৰু বৈজ্ঞানিক কনচালটেণ্ট গ্ৰেড-II ৰ ০১টা পদ। একত্ৰিত মাহিলী দৰমহা ইয়ং প্ৰফেচনেলৰ ৭০,০০০/- টকা, বৈজ্ঞানিক কনচালটেণ্ট গ্ৰেড-Iৰ ৯০,০০০/- টকা আৰু বৈজ্ঞানিক কনচালটেণ্ট গ্ৰেড-IIৰ ১,২০,০০০/- টকা। উক্ত পদখালী জাননীৰ সবিশেষ পৰিৱেশ, বন আৰু জলবায়ু পৰিৱৰ্তন মন্ত্ৰালয়ৰ ৱেবচাইট www.moef.nic.inৰ 'Recruitment' লিংকত উপলব্ধ।

আবেদন গ্ৰহণৰ অন্তিম তাৰিখ হৈছে এই বিজ্ঞাপন প্ৰকাশৰ তাৰিখৰ পৰা ২১ দিন।

**cbc 13101/11/0016/2526**

gmda
**Guwahati Metropolitan Development Authority**
STATFED Building, Bhangagarh, Guwahati - 781005
Website: **www.gmda.assam.gov.in** Tel: 0361-2529650/9824
E-mail: **ceogmdaghy@gmail.com** Fax: 0361-2529991

**Tender No. GMDA/DEV/188/2022/98** **Dated: 25-09-2025**
**NOTICE INVITING E-TENDER**

e-Tenders are invited from reputed, established and financially sound Horticulture, Landscape and maintenance Companies/ Agencies/ Firms for Horticulture works & Annual maintenance contract for Jorpukhuri & Park, at Uzanbazar, Guwahati under Guwahati Metropolitan Development Authority for a period of initial 1(one) year which may be extended for another term(s) as decided by the authority. An amount of ₹50,000.00 (Rupees Fifty Thousand only) is to be submitted as EMD/ Bid Security. The tender documents can be downloaded from **https://assamtenders.gov.in** from **26-09-2025 (9:30 A.M. onwards).**

- The last date of submission of tender document is **16-10-2025 up to 2.00 PM**.
- The bid will be opened online on the e-procurement portal on **16-10-2025 (At 3.00 P.M)**.

The Guwahati Metropolitan Development Authority reserves the right to accept or reject any bid/ tender, and to cancel/ annul the bidding process and reject all bids at any time prior to contract award.

*Sd/-* **(Anbamuthan M.P., IAS)**
Chief Executive Officer
Guwahati Metropolitan Dev. Authority
Bhangagarh, Guwahati - 781005

**ফৰ্ম নং ৩**
**[নিয়ম ১৩ (১)(এ) চাওঁক]**
**ঋণ আদায় ন্যায়াধীকৰণ গুৱাহাটী**
**সুবৰ্ণ ভৱন, ঘৰ নং ১২, নিউ টাউন পথ, হনুমান মন্দিৰৰ ওচৰত, জি. এছ. ৰোড, উলুবাৰী, গুৱাহাটী–৭৮১০০৭ (অসম)**

**কেচ নং : অ'এ/৪০২/২০২৫**
**ঋণ আদায় ন্যায়াধীকৰণ (প্ৰক্ৰিয়া) আইন, ১৯৯৩ৰ ধাৰা ৫ৰ উপ-ধাৰা (২এ)ত উল্লেখ থকা ধাৰা ১৯ৰ উপ-ধাৰা (৪)ৰ অধীনত চমন।**
**ই এক্স এইছ. নং ঃ ৫৪৩৫**
**ইউকো বেংক**
**– বনাম –**
**শ্ৰীমতী মৌচুমী ডেকা লহকৰ**

**প্ৰতি,**
**(১) শ্ৰীমতী মৌচুমী ডেকা লহকৰ**
**স্বামী- নগেন লহকৰ, নামঘৰৰ ওচৰত, ৱাৰ্ড নং ২, কুমাৰগাঁও, তেজপুৰ, তেজপুৰ-৭৮৫৬৯০, জিলা- শোণিতপুৰ, অসম।**

**চমন**
**যিহেতু, অ'এ/৪০২/২০২৫ মাননীয় প্ৰিছাইডিং অফিচাৰ/ পঞ্জীয়কৰ সন্মুখত ১৮-০৯-২০২৫ তাৰিখে তালিকাভুক্ত কৰা হৈছিল।**
**যিহেতু, এই মাননীয় ন্যায়াধীকৰণে উক্ত আইনৰ ধাৰা ১৯(৪)ৰ অধীনত আবেদন (অএ) জাৰি কৰি আপোনাৰ বিৰুদ্ধে ৫৫,৬১,০৯৭.৯৬/- টকা পুনৰ আদায়ৰ বাবে চমন/জাননী জাৰি কৰিছে (নথিপত্ৰৰ প্ৰতিলিপি আবেদনৰ সৈতে সংযুক্ত আছে)।**
**আইনৰ ধাৰা ১৯ৰ উপ-ধাৰা (৪)ৰ অনুসৰি আপোনাক, বিবাদীক নিম্ন উল্লেখিত নিৰ্দেশনা দিয়া হ'ল ঃ-**
**(i) ৰিলিফৰ বাবে যি প্ৰাৰ্থনা জনোৱা হৈছে সেয়া কিয় মঞ্জুৰ কৰা নহয়, এই চমন/ প্ৰকাশৰ ত্ৰিছ দিনৰ ভিতৰত তাৰ কাৰণ দেখুৱাব লাগিব।**
**(ii) মূল আবেদনৰ ক্ৰমিক নং ৩এ-ৰ অধীনত আবেদনকাৰীয়ে নিৰ্দ্ধাৰিত কৰা সম্পত্তি বা সম্পদ সমূহৰ বাহিৰে অন্য সম্পত্তি বা সম্পদৰ বিৱৰণ প্ৰকাশ কৰিব লাগিব।**
**(iii) মূল আবেদনৰ ক্ৰমিক নং ৩এ-ৰ অধীনত প্ৰকাশ কৰা সম্পদবোৰ আৰু সম্পত্তিবোৰ তথা আন সম্পদ বা সম্পত্তিবোৰৰ লেন-দেন বা নষ্ট কৰাত বাৰণ কৰা হৈছে, সম্পত্তিবোৰৰ সংযোগীকৰণৰ কাৰণে আবেদন শুনানী আৰু মীমাংসা স্থগিত কৰা হৈছে।**
**(iv) ন্যায়াধিকৰণৰ পূৰ্ব অনুমোদন অবিহনে মূল আবেদনৰ ক্ৰমিক নং ৩এ-ত নিৰ্দিষ্ট কৰি প্ৰকাশ কৰা সম্পদবোৰ আৰু সম্পত্তিবোৰ সাধাৰণ ব্যৱসায়িক কৰ্মৰ বাহিৰে বিক্ৰী, লীজ বা আনধৰণে বিনিময় কৰিব নোৱাৰিব যিবোৰ সম্পত্তিৰ ওপৰত আৰু/ অথবা আন সম্পত্তিৰ ওপৰত প্ৰতিভূতি স্বাৰ্থ সৃষ্টি কৰা হৈছে।**
**(v) প্ৰতিভূতি সম্পদ বা আন সম্পদ আৰু সম্পত্তিৰ সাধাৰণ ব্যৱসায়িক কাম কাজৰ বিক্ৰিৰ জৰিয়তে পৰিশোধ কৰিবলগীয়াৰ বাবে আপোনাক দায়বদ্ধ হ'ব আৰু এনে বিক্ৰী প্ৰক্ৰিয়াৰ জমা বেংকে অথবা বিত্তীয় প্ৰতিষ্ঠানে প্ৰতিভূতি স্বাৰ্থ হিচাপে ৰখা তেনে সম্পদৰ একাউণ্টত থকা উচিত।**
**ইয়াৰ উপৰিও আপোনাক লিখিত বিবৃতি জমা দিব লাগিব আৰু তাৰ এখন প্ৰতিলিপি আবেদনকাৰীৰ ওচৰত পেচ কৰিব লাগিব আৰু ৩০-১০-২০২৫ তাৰিখে পুৱা ১০.৩০ বজাত পঞ্জীয়কৰ সন্মুখত হাজিৰ হ'ব লাগিব। এই নিৰ্দেশ মানিবলৈ ব্যৰ্থ হ'লে আপোনাৰ অনুপস্থিতিত আবেদনৰ শুনানী গ্ৰহণ কৰা আৰু সিদ্ধান্ত ঘোষণা কৰা হ'ব।**
**পেপাৰ বুকৰ বাবে নিম্নলিখিত ইউআৰএল: https://cis.drt.gov.in/drtlive/paperbook.php?rl=2025125450813 অনুসৰণ কৰক।**
**মোৰ স্বাক্ষৰ আৰু এই ন্যায়াধীকৰণৰ মোহৰ এইতাৰিখে প্ৰদান কৰা হ'ল ঃ ১৮-০৯-২০২৫**
**পঞ্জীয়ক**
**ঋণ আদায় ন্যায়াধীকৰণ, গুৱাহাটী**

UJJIVAN SMALL FINANCE BANK
**উজ্জীৱন স্মল ফাইনেঞ্চ বেংক**
পঞ্জীকৃত কাৰ্যালয় ঃ গ্ৰেপ গাৰ্ডেন, নং ২৭ ৩ডি 'এ' ক্ৰছ, ১৮তম মেইন, ৬ নং ব্লক, কৰমংগালা, বেংগালুৰু- ৫৬০০৯৫,
শাখা কাৰ্যালয় ঃ ১) উজ্জীৱন স্মল ফাইনেঞ্চ বেংক লিমিটেড, ৱাৰ্ড নং ৫, এন টি ৰোড, নলবাৰী, ৭৮১৩৫৫

**ৰাজহুৱা নিলামৰ জাননী**

বিত্তীয় সম্পত্তিৰ সুৰক্ষা আৰু পুনৰ্নিৰ্মাণ আৰু আমানত সুত আইন (ছাৰফেচী আইন) ২০০২-ৰ অধীনত বিক্ৰীৰ বাবে ৰাজহুৱা জাননী, প্ৰভিচো নিয়ম ৮(৬) আৰু আমানত সুতৰ (বলৱৎকৰণ) নিয়ম ২০০২-ৰ নিয়ম ৯ৰ সৈতে পঢ়া হয়।
উজ্জীৱন স্মল ফাইনেঞ্চ বেংক লিমিটেডৰ কৰ্তৃত্বপ্ৰাপ্ত বিষয়া হিচাপে নিম্নোক্ত স্বাক্ষকাৰীয়ে ছাৰফেচী আইনৰ ধাৰা ১৩(৪)ৰ অধীনত প্ৰদান কৰা ক্ষমতা প্ৰয়োগ কৰি তলত দিয়া সম্পত্তিৰ দখল লৈছে। বিশেষকৈ ঋণগ্ৰহণকাৰীক আৰু সামগ্ৰিকভাৱে জনসাধাৰণক জনোৱা হয় যে বেংকৰ বকেয়া ধন আদায় কৰাৰ বাবে তলত উল্লেখ কৰা একাউণ্টত থকা বন্ধকী সম্পত্তিৰ ৰাজহুৱা নিলাম ইয়াৰ অধীনত নিৰ্ধাৰিত তাৰিখত "যেনেকৈ আছে" আৰু "যি ধৰণে আছে" ভিত্তিত সেই তাৰিখত অনুষ্ঠিত হ'ব।

| ক্ৰ. নং | ঋণ একাউণ্ট নম্বৰ | ঋণগ্ৰহণকাৰী/ সহ ঋণগ্ৰহণকাৰী /গেৰাণ্টৰৰনাম | ১৩-২ জাননীৰ তাৰিখ আৰু এই তাৰিখ পৰ্যন্ত ডীমাণ্ড পৰিমাণ | দখলৰ তাৰিখ | ২৪.০৯.২০২৫ তাৰিখলৈকে বৰ্তমানৰ বাকী থকা বেলেঞ্চ | সম্পত্তি পৰিদৰ্শনৰ তাৰিখ আৰু সময় | ভাৰতীয় টকা হিচাপত সংৰক্ষিত মূল্য | ভাৰতীয় টকা হিচাপত আৰ্ণেষ্ট ধন জমা (ইএমডি) (সংৰক্ষিত মূল্যৰ ১০%) | ই-নিলামৰ তাৰিখ আৰু সময় | নিবিদা দাখিলৰ অন্তিম তাৰিখ | ইএমডি প্ৰেৰণৰ বাবে একাউণ্টৰ বিৱৰণ (ইএমডি ডিমাণ্ড ড্ৰাফ্টৰ জৰিয়তে জমা কৰা হ'ব/ উজ্জীৱন স্মল ফাইনেঞ্চ বেংকৰ সপক্ষে) |
|---|---|---|---|---|---|---|---|---|---|---|---|
| ১ | ৩৫৬১ ২১০১ ৭০০০ ০০০৮ | ১. মণ্টু দাস পিতৃ ৰমেশ দাস ২. ৰেৱতী দাস স্বামী প্ৰেমদ দাস | ২৭.০৭.২০২১ ১৫৩৪১৫২.৩৪/- টকা। | ২০.১০.২০২২ | ২৮,১৮,৪৬৩.২৩/- | পুৱা ১০:০০ বজাত ২২-১০-২০২৫ তাৰিখে | ৬,৯৮,০০০/- টকা। | ৬৯,৮০০/- টকা। | ১২.১১.২০২৫ তাৰিখ পুৱা ৯:৩০ বজাত | ১১.১১.২০২৫ | উজ্জীৱন স্মল ফাইনেঞ্চ বেংকৰ সপক্ষে উলিওৱা ডীমাণ্ড ড্ৰাফ্টৰ জৰিয়তে ইএমডি জমা কৰিব লাগিব |

**সম্পত্তিৰ বিৱৰণ/সূচী ঃ** ২ কঠা এলেকা জোখৰ এটা ভূমি, কে পি পট্টা নং ৫৯ (পুৰণি)/১৭৯ (নতুন)ৰ দাগ নং ২১৩ (পুৰণি)/৩৬৭ (নতুন)ৰ দ্বাৰা আবৃত আৰু অসমৰ নলবাৰী জিলাৰ ৰাজহ গাঁও বিহদিয়া ওপৰ বৰভাহ মৌজাৰ অধীনত, ওপৰ বৰভাগ ৰাজহ চক্ৰত অন্তৰ্গত অৱস্থিত। প্ৰয়াত ৰমেশ দাসৰ আইনী উত্তৰাধিকাৰী হোৱাৰ বাবে। বৰ্তমানলৈকে সংশোধিত হিন্দু উত্তৰাধিকাৰ আইন, ১৯৫৬ৰ দ্বাৰা ঋণগ্ৰহণকাৰীসকলৰ মালিকানাধীন।

**নিয়ম আৰু চৰ্তাৱলী ঃ-**
এই ই-নিলাম "য'ত যেনেকৈ আছে", "য'ত আছে' আৰু "যি ভাৱে আছে" ভিত্তিত অনুষ্ঠিত কৰা হৈছে।
১. অনুমোদিত বিষয়াৰ জ্ঞাত আৰু তথ্য অনুসৰি কোনো সম্পত্তিৰ ওপৰত কোনো ধৰণৰ বোজা নাই। কিন্তু উদ্দেশ্যপ্ৰণোদিত নিবিদাকাৰীসকলে নিলামত ৰখা বোজা, সম্পত্তিৰ শীৰ্ষক আৰু সম্পত্তিৰ ওপৰত প্ৰভাৱ পেলোৱা দাবী/অধিকাৰ/বকেয়া ধন/প্ৰভাৱৰ সম্পৰ্কে নিজাকৈ স্বতন্ত্ৰ অনুসন্ধান কৰিব লাগে। ই-নিলামৰ এই বিজ্ঞাপনটোৱে বেংকৰ কোনো প্ৰতিশ্ৰুতি বা কোনো প্ৰতিনিধিত্ব গঠন নকৰে আৰু গণ্য কৰা নহ'ব। বেংকৰ জ্ঞাত বা অজ্ঞাত সকলো বৰ্তমান আৰু ভৱিষ্যতৰ বোজা লৈ এই সম্পত্তি বিক্ৰী কৰা হৈছে। তৃতীয় পক্ষৰ কোনো দাবী/অধিকাৰ/বাবদ ধনৰ বাবে অনুমোদিত বিষয়া/আমানত পাওনাদাৰ কোনো ধৰণে দায়বদ্ধ নহ'ব।
২. নিবিদা দাখিল কৰাৰ পূৰ্বে সম্পত্তি আৰু নিৰ্দিষ্টকৰণ বিষয়ে পৰিদৰ্শন কৰি নিজকে সন্তুষ্ট কৰাটো নিবিদাকাৰীৰ দায়িত্ব হ'ব। নিলামত ৰখা সম্পত্তি/সম্পত্তিসমূহৰ পৰিদৰ্শনৰ অনুমতি আগ্ৰহী নিবিদাকাৰীসকলক প্ৰতিটো সম্পত্তিৰ বিৱৰণৰ বিপৰীতে উল্লেখ কৰা ধৰণে স্থানসমূহত অনুমতি দিয়া হ'ব।
৩. ইচ্ছুক নিবিদাকাৰীয়ে ওপৰত উল্লেখ কৰা ধৰণে নিলামৰ তাৰিখৰ এদিন পূৰ্বে তলত স্বাক্ষৰ কৰা কৰ্তৃত্বপ্ৰাপ্ত বিষয়াৰ সন্মুখত নিজৰ নিবিদা দাখিল কৰিব লাগিব।
৪. উজ্জীৱন স্মল ফাইনেঞ্চ বেংকৰ অনুমোদিত ই-নিলাম সেৱা প্ৰদানকাৰী- মেচাৰ্ছ চি ১ ইণ্ডিয়া প্ৰাইভেট লিমিটেডৰ জৰিয়তে এই ই-নিলাম অনুষ্ঠিত হ'ব। যোগাযোগ কৰিবলগীয়া ব্যক্তিৰ নাম হ'ল শ্ৰী প্ৰভাকৰণ (মো. নং ৭৪১৮২-৮১৭০৯)। ৱেবছাইটত থকা সম্পত্তিৰ সবিশেষ জানিবলৈ https://www.bankeauctions.com বা https://www.ujjivansfb.in/e-auctionsত গৈ নিবিদাত অংশগ্ৰহণ কৰাৰ বাবে তেওঁলোকে পৰ্টেল https://www.bankeauctions.comত নিজৰ নাম পঞ্জীয়ন কৰি নিজৰ ইউজাৰ-আইডি আৰু পাছৱৰ্ড বিনামূলীয়াকৈ লাভ কৰিব পাৰিব। সম্ভাব্য নিলামকাৰীসকলে সেৱা প্ৰদানকাৰী মেচাৰ্ছ চি ১ ইণ্ডিয়া প্ৰাইভেট লিমিটেড, হেল্পলাইন নম্বৰৰ- ৭২৯১৯১৮৮২৪,২৫,২৬ সমৰ্থন ইমেইল আইডি:- support@bankeauctions.com, নিলাম পৰ্টেল- https://www.bankeauctions.comৰ পৰা ই-নিলামৰ ওপৰত অনলাইন প্ৰশিক্ষণ লাভ কৰিব পাৰে।
৫. আমানত পাওনাদাৰ অৰ্থাৎ উজ্জীৱন স্মল ফাইনেঞ্চ বেংক লিমিটেডে নিবিদা গ্ৰহণ কৰাৰ অধীনত সম্পত্তি সৰ্বোচ্চ নিবিদাদাতা/অফাৰ কৰাক বিক্ৰী কৰা হ'ব। কোনো কাৰণ নিৰ্ধাৰণ নকৰাকৈ যিকোনো প্ৰস্তাৱ/নিবিদা গ্ৰহণ বা প্ৰত্যাখ্যান কৰাৰ বিবেচনা কৰ্তৃত্বপ্ৰাপ্ত বিষয়াৰ থাকিব।
৬. সফল নিবিদাকাৰীৰ আৰ্নেষ্ট মানী জমা ধন (ইএমডি) অংশ বিক্ৰীৰ বিবেচনাৰ দিশত ৰখা হ'ব আৰু অসফল নিবিদাকাৰীৰ ইএমডি ঘূৰাই দিয়া হ'ব। আৰ্নেষ্ট মানী জমাৰ কোনো সুত নাথাকিব। সফল নিবিদাকাৰীয়ে ইতিমধ্যে প্ৰদান কৰা ইএমডি সালসলনি কৰি বিক্ৰী মূল্যৰ ২৫% জমা কৰিব লাগিব, কৰ্তৃত্বপ্ৰাপ্ত বিষয়াই নিবিদা মূল্য গ্ৰহণ কৰাৰ ২৪ ঘণ্টাৰ ভিতৰত আৰু বাকী বিক্ৰী মূল্যৰ ৭৫% বিক্ৰীৰ ১৫ তাৰিখ বা তাৰ আগতে বা যিকোনো ক্ষেত্ৰতে কৰ্তৃত্বপ্ৰাপ্ত বিষয়াই লিখিতভাৱে চুক্তিবদ্ধ হোৱা আৰু কেৱল তেওঁৰ বিবেচনা অনুসৰি ৩ মাহৰ অধিক নোহোৱাৰ বৰ্ধিত সময়সীমাৰ ভিতৰত জমা কৰিব লাগিব। সফল নিবিদাকাৰীয়ে ধন পৰিশোধ নকৰাৰ ক্ষেত্ৰত অফাৰৰ দ্বাৰা ইতিমধ্যে জমা কৰা ধনৰাশি জব্দ কৰা হ'ব আৰু সম্পত্তি পুনৰ নিলাম কৰা হ'ব আৰু ধন পৰিশোধ নকৰা ক্ৰেতাৰ সম্পত্তি/পৰিমাণৰ ক্ষেত্ৰত কোনো দাবী/অধিকাৰ নাথাকিব।
৭. এই প্ৰকাশনটো বল প্ৰয়োগৰ ধাৰা সাপেক্ষে।
৮. শেষ মুহূৰ্তত নিবিদা জমা কৰাটো নিবিদাকাৰীয়ে পৰিহাৰ কৰিব লাগে কিয়নো কোনো ধৰণৰ বিফলতা/ব্যৰ্থতা (ইণ্টাৰনেট বিকল হোৱা/বিদ্যুৎ বিকল হোৱা আদি)ৰ বাবে উজ্জীৱন স্মল ফাইনেঞ্চ বেংক বা সেৱা প্ৰদানকাৰী কোনোৱেই দায়ী নহ'ব। এনে আকস্মিক পৰিস্থিতিৰ পৰা ৰক্ষা পাবলৈ নিলামকাৰীসকলক সকলো প্ৰয়োজনীয় ব্যৱস্থা /বিকল্প যেনে বিদ্যুৎ যোগান বেক-আপ আদি ৰাখিবলৈ অনুৰোধ কৰা হৈছে, যাতে তেওঁলোকে এনে পৰিস্থিতি মোকাবিলা কৰিবলৈ সক্ষম হয় আৰু নিলামত সফলতাৰে অংশগ্ৰহণ কৰিবলৈ সক্ষম হয়।

বন্ধকত ৰখা সম্পত্তি বিক্ৰীৰ বাবে নিৰ্ধাৰিত ৰাজহুৱা নিলামৰ বিষয়ে ওপৰত নাম উল্লেখ কৰা ঋণগ্ৰহণকাৰী/ গেৰাণ্টৰ/মৰ্টগেজৰসকললৈও জাননী দিয়া হৈছে।

তাৰিখ ঃ ০৪.১০.২০২৫
স্থান ঃ গুৱাহাটী অসম

স্বা/-
কৰ্তৃত্বপ্ৰাপ্ত বিষয়া
উজ্জীৱন স্মল ফাইনেঞ্চ বেংক

बैंक ऑफ़ बड़ौदा Bank of Baroda
**এ. টি. ৰোড শাখা**
**বিশাল মেগামাৰ্টৰ ওচৰত, এ. টি. ৰোড, গুৱাহাটী, কামৰূপ (ম), অসম– ৭৮১০০১, ইমেইল:– atroad@bankofbaroda.com**
**বাহনৰ ই-নিলামৰ সংক্ষিপ্ত জাননী**

**ইয়াৰ দ্বাৰা সাধাৰণভাৱে জনসাধাৰণক আৰু বিশেষকৈ ঋণী (সকলক) আৰু জামিনদাৰ (সকলক) জাননী দিয়া হৈছে যে পক্ষসমূহে কাৰ্যকৰী কৰা হাইপোথেকেচন/ঋণ চুক্তিৰ অধীনত প্ৰদান কৰা ক্ষমতা প্ৰয়োগ কৰি বেংকে তলত উল্লেখ কৰা হাইপোথেকেটেড মটৰ বাহনখন পুনৰ দখল/জব্দ কৰিছে আৰু তলত উল্লেখ কৰা একাউণ্ট/সমূহৰ দেয় পুনৰ আদায়ৰ বাবে "যত আছে", "যি আছে" আৰু "যেনে আছে" তেনেই ভিত্তিত বাহনখন বিক্ৰী কৰা হ'ব। ঋণী/সকল/ জামিনদাৰ/সকল/ বাহনখন/ মুঠ দেয়/ সংৰক্ষিত মূল্য/ ই-নিলামৰ তাৰিখ আৰু সময়, ইএমডি আৰু ডাক বৃদ্ধি পৰিমাণৰ বিৱৰণ তলত উল্লেখ কৰা হৈছে –**

| ক্ৰ. নং | ঋণী/সকল / জামিনদাৰৰ নাম আৰু ঠিকনা | মুঠ দেয় | বাহনৰ নিৰ্মাণ আৰু মডেল আৰ টি অ', পঞ্জীয়ন নং | ই-নিলামৰ তাৰিখ আৰু সময় | ১) সংৰক্ষিত মূল্য ২) আমানত ধন জমা (ইএমডি) ৩) ডাক বৃদ্ধিৰ পৰিমাণ | ইএমডি জমা একাউণ্ট | পৰিদৰ্শনৰ তাৰিখ আৰু সময় | যোগাযোগৰ ব্যক্তি |
|---|---|---|---|---|---|---|---|---|
| ১. | দৈৱাকী বড়ো এ. চি. এপাৰ্টমেণ্ট, ফ্লেট নং ৬-চি, নাৰেঙ্গী তিনিআলি, উজ্জীৱন বেংকৰ ওচৰত, গুৱাহাটী- ৭৮১০২৬ | ৫,৭৯,৯২৭.৮২ টকা ০৬.০৩.২০২৫ তাৰিখলৈ আৰু অতিৰিক্ত সুত আৰু চাৰ্জেছ | মেক : মহিন্দ্ৰা এণ্ড মহিন্দ্ৰা লিমিটেড মডেল : বলেৰো নিও এন৮ আৰ টি অ' : গুৱাহাটী পঞ্জীয়ণ নং: এএছ-০১ এফকিউ ১৫৩৭ | ০৬.১১.২০২৫ দুপুৰীয়া ২.০০ বজাৰ পৰা বিয়লি ৬.০০ বজালৈ | ১) ৫,৯৯,০০০.০০ টকা ২) ৫৯,৯০০.০০ টকা ৩) ৫,০০০.০০ টকা | Baanknet ৱেবছাইট অনুসৰি | ০৪.১১.২০২৫ আৰু ০৫.১১.২০২৫ পুৱা ১০.৩০ বজাৰ পৰা বিয়লি ৪.৩০ বজালৈ | শ্ৰী কৌশিক মল্লিক মোবাইল নং ৮৭৬৫৬৮৪২৬৭ |

**বিক্ৰীৰ বিশদ চৰ্ত আৰু নিয়মাৱলীৰ বাবে, অনুগ্ৰহ কৰি ৱেবছাইট লিংক https://baanknet.com চাওঁক। সম্ভাব্য নিবিদাকাৰীসকলে ওপৰত উল্লেখ কৰা ধৰণে যোগাযোগৰ ব্যক্তিক যোগাযোগ কৰিব পাৰে।**
**তাৰিখ ঃ ০৩-১০-২০২৫, স্থান ঃ গুৱাহাটী** **শাখা মুৰব্বী, বেংক অফ বৰোদা**